**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-04-2026 **Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিনজোৰা কাৰ্যসূচীৰে গৃহৰাজ্য ওড়িশা ভ্ৰমণ কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচী লৈ জাৰ্মানীৰ মিউনিখত উপস্থিত হৈছে।

৩। পশ্চিমবংগত পৰহিলৈ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰচাৰ অভিযানৰ আজি অন্ত পৰিব। তামিলনাডুতো আজি বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ অন্ত পৰিব।

৪। আজি অসামৰিক সেৱা দিৱস। ৰাষ্ট্ৰপতি, উপ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে এই সেৱাত জড়িতসকলক শুভেচ্ছা জনাইছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিনজোৰা কাৰ্যসূচীৰে গৃহৰাজ্য ওড়িশা ভ্ৰমণ কৰিছে। শ্ৰীমতী মুৰ্মু আজি পুৱাৰ ভাগত বীৰ সুৰেন্দ্ৰ সাই বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত বায়ুসেনা বাহিনীৰ এখন হেলিকপ্তাৰেৰে ৰুৰকেলা অভিমুখে ৰাওনা হয়। এই ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে তীখা নগৰীখনত ১৫৮ কোটি টকা ব্যয়েৰে নিৰ্মিত সাংস্কৃতিক আৰু উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত আছে – নগৰ উন্নয়ন, সংহত আদেশ আৰু নিয়ন্ত্ৰণ কেন্দ্ৰ, এটা প্ৰেক্ষাগৃহ আৰু জনজাতীয় সংগ্ৰহালয়। শ্ৰীমতী মুৰ্মুৱে কোৱেল নগৰত এখন প্ৰমোদ উদ্যান, ছেণ্ড কলনিত এটা তাৰকা গৃহ আৰু বিজ্ঞান কেন্দ্ৰ তথা নিৰ্মল মুণ্ডা পৰিবেশ পথ উদ্বোধন কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি বিয়লি দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে পানপ'চ আৰৱৰ্ত ভৱনত বিভিন্ন সংস্থাৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰিব। ৰাষ্ট্ৰপতিৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰুৰকেলাত সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰাৰ লগতে অঞ্চলটোত ড্ৰোণ আৰু অন্য আকাশীযানৰ উৰণ নিষিদ্ধ কৰা হৈছে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচী লৈ জাৰ্মানীৰ মিউনিখত উপস্থিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰে যে এই ভ্ৰমণকালত শ্ৰীসিঙে জাৰ্মানীৰ প্ৰতিৰক্ষা মন্ত্ৰী বৰিচ পিষ্ট'ৰিয়াছ আৰু অন্যান্য নেতৃবৰ্গৰে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। এই আলোচনাত ভাৰত

আৰু জাৰ্মানীৰ মাজত কৌশলগত প্ৰতিৰক্ষা অংশীদাৰিত্বক শক্তিশালী কৰাৰ বিষয়ে দুয়োপক্ষই মত বিনিময় কৰিব। ভাৰত আৰু জাৰ্মানীৰ প্ৰতিৰক্ষা মন্ত্ৰীদ্বয়ৰ মাজত প্ৰতিৰক্ষা ঔদ্যোগিক সহযোগিতা কৰ্মসূচী আৰু ৰাষ্ট্ৰসংঘ শান্তিৰক্ষা অভিযানৰ প্ৰশিক্ষণত সহযোগিতাৰ বাবে যাৱতীয় প্ৰস্তুতি সন্দৰ্ভত চুক্তি স্বাক্ষৰ হোৱাৰ আশা আছে। যৌথ উন্নয়ন আৰু মে'ক ইন ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত সহ উৎপাদনত গুৰুত্ব  দি প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীসিঙে জাৰ্মান প্ৰতিৰক্ষা উদ্যোগৰ আগশাৰীৰ প্ৰতিনিধিবৰ্গৰ সৈতে আলোচনাত মিলিত হ'ব। ভাৰত আৰু জাৰ্মানৰ মাজত শক্তিশালী বহুপাক্ষিক কৌশলগত অংশীদাৰিত্ব আছে। শেহতীয়াকৈ প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতাতো দুয়োখন দেশৰ মাজত অংশীদাৰিত্ব বৃদ্ধি হৈছে।

০০০০০০০

পশ্চিমবংগত পৰহিলৈ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰচাৰ অভিযানৰ আজি অন্ত পৰিব। ভোটগ্ৰহণলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে ৰাজ্যখনৰ ভিন ভিন প্ৰান্তত নিৰ্বাচনী সমাৱেশ তথা ৰোড শ্ব'ত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে।

বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি শিলিগুৰি, পশ্চিম বৰ্ধমান, পশ্চিম মেদিনীপুৰ আৰু পূব মেদিনীপুৰ জিলাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। ইফালে তৃণমূল কংগেছৰ নেত্ৰী আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি পূব মেদিনীপুৰ, বাৰাকপোৰ, ছৌবিবশ পৰগনা জিলাৰ জগতদল আৰু কলকাতাৰ জোৰাসাকোত দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিব। আজিৰ সভাত আন্যান্য বিভিন্ন দলৰ ৰাজনৈতিক নেতাসকলেও অংশগ্ৰহণ কৰিব। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ভগৱানপুৰ সমষ্টিত নিৰ্বাচনী সমাৰোহত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে। উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ৩ কোটি ৬০ লাখ ৭৭ হাজাৰ ১৭১ গৰাকী ভোটদাতাই তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব।

০০০০০০০

তামিলনাডুত আজি বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ কাৰ্যৰ অন্ত পৰিব। নিৰ্বাচন আয়োগে জনোৱা অনুসৰি সন্ধিয়া ৬ বজাৰ পাছত কোনো ধৰণৰ নিৰ্বাচনী প্ৰচাৰত অনুমতি দিয়া নহ'ব। আজি অন্তিম দিনা বিজেপিয়ে অভিযোগ কৰে যে, ডি এম কে ৰাজ্যখনত আটাইতকৈ বেয়া শাসক দল হিচাপে পৰিগণিত হৈছে আৰু ডি এম কে-ৰ আমোলত গাওঁ পঞ্চায়ত পৰ্যায়লৈকে পৰিয়ালকেন্দ্ৰিক ৰাজনীতি বিয়পি পৰিছে। আপৰ নেতা অৰবিন্দ কেজৰিৱালে কয় যে, ডি এম কে চৰকাৰৰ বাবেই তামিলনাডুয়ে সাফল্য লাভ কৰিছে। তেওঁ বিজেপিৰ সৈতে হাত মিলোৱাৰ বাবে এ আই এ ডি এম কে-ক সতৰ্ত কৰি দিয়ে আৰু বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ বৰ্তমান অৱস্থালৈ আঙুলিয়াই দেখুৱাই। কংগ্ৰেছে অভিযোগ কৰে যে, বিজেপিয়ে কেন্দ্ৰীয় সংস্থাসমূহক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিছে।

০০০০০০০

পশ্চিমবংগত আজি জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। শিলিগুড়িৰ ছুকনা খেলপথাৰত অঞ্চলটোৰ ৮গৰাকী দলীয় প্ৰাৰ্থীৰ হৈ অনুষ্ঠিত সভাত শ্ৰীশ্বাহে ভাষণ দিয়ে। শ্ৰীশ্বাহে দাবী কৰে যে, কেৱল বিজেপিহে গোৰ্খাসকলৰ দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান কৰিব

পাৰিব। ৰাজ্যখনত পৰিবৰ্তনৰ আহ্বান জনাই তেওঁ কয়, যে এই নিৰ্বাচনী হৈছে মাতৃ-ভগ্নীসকলৰ সুৰক্ষাৰ যুঁজ। শ্ৰীশ্বাহে স্পষ্ট কৰি দিয়ে যে বিজেপি ক্ষমতালৈ আহিলে পশ্চিমবংগৰ বলাৎকাৰত জড়িত সকলোকে কাৰাগাৰলৈ নিক্ষেপ কৰা হ'ব। তেওঁ গোৰ্খা নেতা সুভাষ ঘিচিঙৰ লগত অন্যায় কৰা বুলি কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ আৰু সাম্যবাদী দলসমূহক দোষাৰোপ কৰে। শ্ৰীশ্বাহে কয়, যে বিজেপি ক্ষমতালৈ আহিলে ৰাজ্যৰ চাহবাগানসমূহ বন্ধ কৰিবলৈ দিয়া নহ'ব। তেওঁ লগতে ঘোষণা কৰে যে, দাৰ্জিলিং-সুন্দৰবনক সংযোগ কৰি এটা ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰাৰ লগতে উত্তৰ বংগৰ বাবে পৃথক এইমছ, এখন কেন্সাৰ চিকিৎসালয়, এখন আই আই এম আৰু এখন আই আই টি স্থাপন কৰা হ'ব। দাৰ্জিলিঙক ইক' এডভেন্সাৰ আৰু ঐতিহ্য পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দি শ্ৰীশ্বাহে কয়, যে দাৰ্জিলিঙক গোৰ্খাসকলৰ বাবে এখন ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। পশ্চিমবংগত বিজেপিৰ চৰকাৰ হ'লে শিক্ষক নিযুক্তিত হোৱা দুৰ্নীতিৰ তদন্ত কৰা হ'ব আৰু চৰকাৰ গঠনৰ ৪৫ দিনৰ ভিতৰতে ৰাজ্যত সপ্তম দৰমহা আয়োগ কাৰ্যকৰী কৰা হ'ব বুলিও শ্ৰীশ্বাহে ঘোষণা কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি দেশৰ অন্যতম মহান আধ্যাত্মিক গুৰু আদি শংকৰাচাৰ্য্যক তেওঁৰ জয়ন্তীত শ্ৰদ্ধাঞ্জলি জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, আদি শংকৰাচাৰ্য্যৰ শিকনি, চিন্তা আৰু অদ্বৈত বেদান্তৰ দৰ্শনে সমগ্ৰ বিশ্বৰ লোকক পথ প্ৰদৰ্শন কৰি আহিছে। তেওঁ কয়, যে আদি শংকৰাচাৰ্য্যৰ আধ্যত্মিক চিন্তাৰ প্ৰসাৰৰ বাবে দেশজুৰি স্থাপন হোৱা আধ্যাত্মিক কেন্দ্ৰসমূহ সকলোৰে বাবে প্ৰেৰণাৰ উৎস হৈ আহিছে। আদি শংকৰাচাৰ্য্যৰ কৰ্ম আৰু আদৰ্শই সকলোকে সত্য আৰু সঠিক জীৱন-যাপনৰ বাবে সদায় উদ্বুদ্ধ কৰি যাব বুলি শ্ৰীমোডীয়ে আশা কৰে।

0000000

আজি অসামৰিক সেৱা দিৱস। দেশৰ প্ৰশাসনিক কাৰ্যক সুচাৰুৰূপে পৰিচালনা কৰা চৰকাৰী বিষয়াসকলৰ কৰ্মৰাজিক সন্মান জনাবলৈ প্ৰতিবছৰে ২১ এপ্ৰিলত অসামৰিক সেৱা দিৱস উদযাপন কৰি অহা হৈছে। স্বাধীন ভাৰতৰ প্ৰথমগৰাকী গৃহমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলে ১৯৪৭ চনৰ আজিৰ দিনটোতে দিল্লীৰ মেটকাফ হাউচত প্ৰশাসনিক বিষয়াসকলৰ সৈতে মত বিনিময় কৰিছিল। সেই দিনটোক স্মৰণ কৰিয়েই ২০০৬ চনৰ পৰা প্ৰতি বছৰে এই দিৱস উদযাপন কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- **বিকশিত ভাৰত ঃ নাগৰিক কেন্দ্ৰীক প্ৰশাসন আৰু প্ৰান্তীয় অঞ্চলত বাস কৰা লোকৰ উন্নয়ন সাধন**।

অসামৰিক সেৱা দিৱস উপলক্ষে আজি গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাষ্ট্ৰীয় অসামৰিক সেৱা দিৱস উপলক্ষে অসামৰিক সেৱাৰ সৈতে জড়িত ব্যক্তিসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে অসামৰিক সেৱাৰ সৈতে জড়িত ব্যক্তিসকলৰ দায়বদ্ধতা আৰু কৰ্তব্যনিষ্ঠাই প্ৰশাসন ব্যৱস্থাক জনসাধাৰণৰ কাষ চপাই নিয়াৰ লগতে ৰাজহুৱা প্ৰতিষ্ঠানসমূহ পুনৰুজ্জীৱিত কৰি তোলে। নাগৰিক কেন্দ্ৰিক, ভৱিষ্যমুখী আৰু উদ্ভাৱনমূলক নীতি প্ৰণয়নেৰে অসামৰিক সেৱাৰ বিষয়াসকলে লক্ষ লক্ষ লোকৰ জীৱনৰ মান উন্নত কৰিব পাৰে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়।

ভাৰত নতুন অভিলাষেৰে বিকাশৰ পথত অগ্ৰসৰ হোৱাৰ দিশত দেশ আৰু নাগৰিকসকলৰ মাজত ব্যৱধান দূৰ কৰি আস্থাৰ পৰিৱেশ সৃষ্টি কৰাৰ মাধ্যমেৰে সৰ্বাত্মক বিকাশ কৰাৰ ক্ষেত্ৰত অসামৰিক সেৱাৰ বিষয়াসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

অষ্টাদশ অসামৰিক সেৱা দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি নতুন দিল্লীত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন মন্ত্ৰালয়ৰ অধীনৰ প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ বিভাগে আয়োজন কৰা এই অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতিয়ে কয় যে, অসামৰিক সেৱাৰ চৰকাৰৰ পৰিকল্পনা আৰু নীতি সমূহ তৃণমূল পৰ্যায়ত কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ কয়, যে চৰকাৰৰ পৰিকল্পনাসমূহ দেশৰ ৰাজধানীত গ্ৰহণ কৰা হয় যদিও এই পৰিকল্পনাসমূহ সঁচা অৰ্থত ৰূপায়ন হ'লেহে দেশৰ প্ৰান্তীয় আৰু দূৰ্গম গাওঁসমূহত ইয়াৰ প্ৰকৃত ফল পোৱা যাব। উপ-ৰাষ্ট্ৰপতিয়ে প্ৰয়াত চৰ্দাৰ বল্লৱভাই পেটেলক সদৌ ভাৰত সেৱাৰ পিতৃ পুৰুষ বুলি বৰ্ণনা কৰি কয়, যে চৰ্দাৰ পেটেলে সেৱা আৰু একতাৰ বলেৰে দেশবাসীক একগোট কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ কয়, যে চৰ্দাৰ পেটেলৰ প্ৰচেষ্টাৰ বাবেই দেশ আজি ঔপনিবেশিক ভাৰতৰ পৰা বিকশিত ভাৰতলৈ যাত্ৰা কৰিবলৈ সমৰ্থ হৈছে। শ্ৰীৰাধাকৃষ্ণণে কয়,যে চৰকাৰৰ প্ৰচেষ্টাৰ বাবেই ভাৰতে আজি আন্তগাঁথনিত স্বাস্থ্য, শিক্ষা আদি খণ্ডত বিশ্বৰ মঞ্চত গৌৰৱেৰে থিয় দিব পাৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দিৱস উপলক্ষে দিয়া বাৰ্তাত কয়, যে সু-প্ৰশাসন আৰু ৰাষ্ট্ৰ গঢ়াৰ দিশত প্ৰতিশ্ৰুতিবদ্ধতাক শক্তিশালী কৰাৰ বাবে এই দিৱসে সকলোকে উৎসাহিত কৰে। তেওঁ কয়, যে তৃণমূল পৰ্যায়ত নীতি প্ৰণয়নৰ পৰা এই বিষয়াসকলৰ প্ৰচেষ্টাই অগণন লোকৰ জীৱনৰ মান উন্নয়ন কৰাৰ লগতে দেশৰ প্ৰগতিত অৰিহণা যোগায়। গৃহমন্ত্ৰী অমিত শ্বাহে ৰাষ্ট্ৰীয় অসামৰিক সেৱা দিৱস উপলক্ষে অসামৰিক সেৱাৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে শ্ৰী শ্বাহে কয়, যে এই বিষয়াসকলৰ নীতি প্ৰণয়ন আৰু প্ৰশাসন ব্যৱস্থাক শক্তিশালী কৰাৰ ক্ষেত্ৰত ভূমিকাই ৰাষ্ট্ৰ গঢ়াৰ দিশত উল্লেখযোগ্য বৰঙণি যোগাই আহিছে।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট টাইটানছক ৯৯ ৰানত পৰাস্ত কৰে।

0000000

সমাপ্ত